# আধুনিক অসমীয়া কবিতাৰ পটভূমি

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী কালত সাহিত্যৰ অন্যান্য শাখাৰ দৰেই কবিতাৰো বিষয়বস্তু, ভাবাদৰ্শ আৰু প্ৰকাশভংগীৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তনৰ সূচনা হয় আৰু নতুন কবিসকল পৰম্পৰাগত কাব্যশৈলীৰ পৰা ফালৰি কাটি আহি কবিতাৰ আঙ্গিক আৰু কলা-কৌশলৰ দিশত নতুনত্বৰ সূচনা কৰে। মহেন্দ্ৰ বৰাই নতুন কবিসকলক প্ৰধানকৈ দুটা ভাগত ভগাইছে — এদল জনতাৰ কবি, আনদল নিৰ্জনতাৰ কবি। প্ৰথমটো ভাগত পৰে হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক, হেমাঙ্গ বিশ্বাস, অমলেন্দু গুহ আৰু ৰাম গগৈ। হেমবৰুৱাই সমকালীন বিশ্বৰ কাব্যধাৰাৰ অধ্যয়নৰ যোগেদি অসমীয়া কবিতালৈ নতুনত্ব কঢ়িয়াই আনিলে। এই সময়ছোৱাৰ কবিসকলে নব্য-মানৱতাবাদী দৃষ্টিভংগীৰে কাব্য ৰচনা কৰি জনসাধাৰণৰ চকুত নতুন স্বপ্ন ৰচনা কৰিবলৈ আগবাঢ়ি আহিছিল—

আমাৰ চকুত আশাৰ নেজাল তৰা
এই জ্বলে। এই মৰে
বালিমাহিৰ ময়ূৰচালিত, ৰুদ্ধ পৰাণত সাত সাগৰৰ বাণ নামে।
মৰিকলঙত বাৰিষাৰ ঢল।
পাৰত, বিহ-মেটেকাৰ পোহাৰ বহিছে। (জাৰৰ দিনৰ সপোন)

হেম বৰুৱাৰ কবিতা সম্পৰ্কে মন্তব্য কৰি মহেন্দ্ৰ বৰাই লিখিছে 'তেখেতৰ কবিতা যেন পংগু ধনতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ ওপৰত খহি পৰা এটা বিৰাট অভিশাপ। বৰ্তমানৰ সমাধিৰ ওপৰত তেখেতে নতুন দিনৰ সুস্থ সমাজ গঢ়ি তোলাৰ সপোন দেখে।'

হেম বৰুৱাৰ 'মোৰ প্ৰেম', 'জাৰৰ দিনৰ সপোন', 'মমতাৰ চিঠি', 'পোহৰতকৈ

এন্ধাৰ ভাল', প্ৰভৃতি কালজয়ী কবিতাই আধুনিক অসমীয়া কবিতাক সমৃদ্ধ কৰিছে। কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰত তেওঁ নতুনত্বৰ সূচনা কৰে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাত ছন্দৰ সাঙ্গীতিক অনুৰণনে পাঠকৰ হৃদয় স্পৰ্শ কৰে। আন এগৰাকী জনতাৰ কবি আব্দুল মালিকৰ কবিতাত উজ্জ্বল-মানচিত্ৰৰ প্ৰয়োগ মনকৰিবলগীয়া। নিম্ন মধ্যবিত্তৰ প্ৰাণৰ স্পন্দন তেওঁৰ কবিতাত বাৰুকৈয়ে উপলব্ধি কৰিব পাৰি। ৰাম গগৈৰ কবিতাত সৰ্বহাৰাৰ জীৱনৰ বেদনাই বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিছে। তেওঁৰ কবিতাত সমাজৰ কল্যাণকামী এক শুভ চিন্তাৰ স্বাক্ষৰ স্পষ্ট। নিষ্পেষিত জনসাধাৰণৰ প্ৰতি গভীৰ সহানুভূতি আৰু বলিষ্ঠ আশাবাদে তেওঁৰ কবিতাসমূহৰ আকৰ্ষণীয় গুণ বৃদ্ধি কৰিছে। এই ধাৰাৰ অন্যান্য কবিসকল হ'ল হেমাঙ্গ বিশ্বাস, অমলেন্দু গুহ আৰু ৰবীন্দ্ৰ সৰকাৰ ইত্যাদি। এওঁলোকৰ কবিতাত সমাজবাদী চিন্তাৰ লগে লগে শ্ৰেণীহীন সমাজ গঠনৰ চিন্তাই প্ৰাধান্য লাভ কৰিছে।

জীৱনৰ দৰে কাব্যকো চিৰগতিশীল বুলি উপলব্ধি কৰি আনটো দলৰ কবিসকলে অনুভৱৰ স্বকীয়তা আৰু প্ৰকাশভংগীৰ অনন্য ব্যাপকতাৰ মাধ্যমেদি জীৱনক নিজস্ব দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰিছে। এইটো দলৰ অন্তৰ্গত কবিসকল হ'ল নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, নীলমণি ফুকন, বীৰেশ্বৰ বৰুৱা, দীনেশ গোস্বামী, হৰি বৰকাকতি, নিৰ্মলপ্ৰভা বৰদলৈ, বীৰেণ বৰকটকী, মহিম বৰা ইত্যাদি। নৱকান্ত বৰুৱাৰ কবিতাত মানৱতাৰ জয়গান ঘোষিত হৈছে। বিষয়বস্তুৰ লগতে আঙ্গিকৰ অভিনৱত্ব, ভাববস্তু আৰু ৰূপবস্তুৰ অপূৰ্ব সমন্বয়, নৱকান্ত বৰুৱাৰ কবিতাৰ মনকৰিবলগীয়া বৈশিষ্ট্য। তেওঁৰ কবিতাত ইতিহাস চেতনা, সমকাল চেতনা, মৃত্যুচেতনা, নিঃসঙ্গতাবোধ, ঈশ্বৰৰ অস্তিত্ব আদি বিষয়সমূহেও প্ৰাধান্য লাভ কৰিছে। মহেন্দ্ৰ বৰাৰ ভাষাত — 'এহাতে ৰবীন্দ্ৰনাথ, আনহাতে ইলিয়ট। এয়ে বোধকৰো নৱকান্ত বৰুৱাৰ কাব্য পৰিক্ৰমাৰ কুমেৰু-সুমেৰু।'

অভিনৱ চিত্ৰকল্পৰ প্ৰয়োগ আৰু প্ৰতীকি ব্যঞ্জনাৰ ব্যৱহাৰৰ যোগেদি নৱকান্ত বৰুৱাই আধুনিক নাগৰিক সভ্যতাৰ অৱক্ষয়ৰ ছবি 'ইয়াত নদী আছিল' কবিতাৰ মাধ্যমেদি সুন্দৰভাৱে প্ৰকাশ কৰিছে। তেওঁৰ কবিতাত ৰবীন্দ্ৰনাথ ঠাকুৰ, জীবনান্দ দাশ, বুদ্ধদেৱ বসু, অমিয় চক্ৰবৰ্তী আদিৰ কবিতাৰ আঙ্গিক আৰু কলা-কৌশলৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

অমূল্য বৰুৱা, ভবানন্দ দত্ত আদিয়ে আধুনিক কবিতালৈ নতুন ভাব আৰু প্ৰকাশভংগী কঢ়িয়াই আনিলে। হোমেন বৰগোহাঞিৰ কবিতাত মানুহৰ মনোৰাজ্যৰ অন্তৰ্গত অন্ধকাৰ বাসনা, যৌনকামনা আৰু মৃত্যুৰ আকাঙ্খা প্ৰভৃতি মনোভাবৰ প্ৰকাশ ঘটিছে। হৰি

বৰকাকতিৰ কবিতাতো অবচেতন মনৰ ঐন্দ্ৰজালিক আৱেশে ছন্দক সাৱলীল গতি প্ৰদান কৰিছে। তেওঁৰ কাব্য কথনৰীতি অতি সহজ আৰু অনাড়ম্বৰ যদিও অনুভূতিৰ তীব্ৰতা কম। 'ৰঙা জিয়া'ৰ কবি মহিম বৰাৰ কবিতাত সৌন্দৰ্যকাতৰ কবিমনৰ পৰিচয় পোৱা যায়। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত সংযম মহিম বৰাৰ কবিতাৰ মনকৰিবলগীয়া বৈশিষ্ট্য। মহেন্দ্ৰ বৰাৰ কবিতাত আধুনিক সমাজৰ দ্বন্দ্ব, সংঘাত আৰু অন্তঃসাৰশূন্যতাৰ স্বৰূপ চিত্ৰিত হৈছে। এক ৰোমাণ্টিক অবসাদ আৰু ঐন্দ্ৰজালিক সৌন্দৰ্যই তেওঁৰ কবিতাসমূহ ৰহস্যময় আৰু অস্বাদনীয় কৰি তুলিছে।

আধুনিক অসমীয়া কবিতাত প্ৰতীকবাদী চিন্তাৰ প্ৰতিফলন লক্ষ্য কৰা যায় অজিত বৰুৱাৰ কবিতাত। তেওঁৰ 'মন কুঁৱলীৰ সময়' কবিতাটোত প্ৰতীকৰ সাৰ্থক প্ৰয়োগ চকুত পৰে। বীৰেশ্বৰ বৰুৱাৰ কবিতাত প্ৰেম, প্ৰকৃতি, বন্ধুত্ব, সৌন্দৰ্য, সময় ইত্যাদিয়ে কবিৰ আত্মিক চেতনাত তোলা প্ৰতিধ্বনিসমূহেই তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য হৈ ধৰা দিছে।

বীৰেন্দ্ৰ বৰকটকীৰ কবিতাত ৰমন্যাসবাদ, প্ৰতীকবাদ, প্ৰগতিবাদ প্ৰভৃতি চিন্তাৰ প্ৰতিফলন ঘটিছে। প্ৰেম হৈছে হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ প্ৰধান অবলম্বন। অৱশ্যে, অন্যান্য আধুনিক কবিৰ তুলনাত ভট্টাচাৰ্যৰ প্ৰেমৰ চিন্তা সুকীয়া। তেওঁ ভাবে যে ব্যক্তিগত জীৱনত প্ৰেমৰ পূজাৰ ব্যৰ্থতাই সত্য। ব্যৰ্থতাৰ আন্ধাৰে কবিক সেই সত্যকেই সহজভাৱে ল'বলৈ শিকালে। তেওঁৰ প্ৰায়বোৰ কবিতাতেই ৰোমাণ্টিক ভাব-আকুলতা, অনাদৰ আৰু তাৰ ফলত সৃষ্টি হোৱা যন্ত্ৰণাৰ হৃদয়ভেদী কৰুণ স্বৰ ধ্বনিত হৈছে। তেওঁৰ কবিতাত প্ৰগতিশীল সমাজচেতনাৰ লগে লগে প্ৰেম, যৌৱন, প্ৰাকৃতিক সৌন্দৰ্য, আত্মিক বিষাদ আদি সততে পৰিলক্ষিত হয়।

নীলমণি ফুকনৰ কবিতাত প্ৰতীকবাদী, চিত্ৰকল্পবাদী আৰু দূৰ প্ৰাচ্যৰ কাব্যধাৰাৰ অনুৱৰ্তী প্ৰকাশ তেওঁৰ কবিতাত লক্ষ্য কৰা যায়। তেওঁৰ ভালেমান কবিতাৰ ঘাই শিহৰণ যৌৱন, জীৱন, স্বপ্ন, প্ৰেমৰ ডুখৰীয়া স্মৃতি আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ কবিতাত ব্যৱহৃত গহীন আৰু বুদ্ধিনিষ্ঠ প্ৰতীকসমূহে কাব্য-অনুৰাগী পাঠকক সহজে আকৰ্ষণ কৰে। 'সোণালী কণীৰ কুহুম', 'গোলাপী জামুৰ লগ্ন' আদি কবিতাত সাঙ্গীতিক ধ্বনি-মাধুৰ্যৰ প্ৰয়োগে পাঠকৰ মন সহজে আন্দোলিত কৰি তোলে। তেওঁৰ কবিতাত প্ৰয়োগ হোৱা কিছুমান ব্যক্তিগত প্ৰতীকে ফুকনৰ কবিতাক জটিল কৰি তুলিছে। তেওঁৰ কবিতাত চিত্ৰকল্পৰ অভিনৱ প্ৰয়োগ লক্ষ্য কৰা যায়।

নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত আত্মিক আৰু বহিৰ্জাগতিক দুয়োধৰণৰ চেতনাই

সমানে ঠাই পাইছে। নির্বাচিত শব্দৰ নিটোল প্ৰয়োগ, ব্যঞ্জনাধৰ্মিতা, ভাব আৰু ভাষাৰ সংহতিপূৰ্ণ প্ৰকাশ, মুক্তক ছন্দৰ সাৰ্থক প্ৰয়োগ আৰু ৰমন্যাসিক দৃষ্টিভঙ্গীয়ে বৰদলৈৰ কবিতাক নতুন আস্বাদ প্ৰদান কৰিছে। প্ৰতীক আৰু চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগে বৰদলৈৰ কবিতাক নতুন আস্বাদ দিছে। তেওঁৰ কবিতাত অসমীয়া লোক-সংস্কৃতিৰ সৰস আৰু সাৱলীল প্ৰকাশ মনকৰিবলগীয়া। ঐতিহ্যপ্ৰীতি তেওঁৰ কবিতাৰ আন এটি মনকৰিবলগীয়া বৈশিষ্ট্য।

হীৰেন্দ্ৰনাথ দত্তৰ কবিতাত সূক্ষ্ম আৰু প্ৰাণময় প্ৰকাশ লক্ষ্য কৰা যায়। প্ৰেম, প্ৰকৃতি আৰু নিৰ্জনতাই প্ৰতীক আৰু চিত্ৰকল্পৰ মাধ্যমেদি তেওঁৰ কবিতাত প্ৰকাশ লাভ কৰিছে।

ভবেন বৰুৱাৰ কবিতাত শব্দৰ প্ৰতীকী প্ৰয়োগ লক্ষ্য কৰা যায়। তেওঁ কাব্য-সংহতিৰ প্ৰতি অধিক মননশীল আৰু সেয়ে তেওঁৰ কবিতাত শব্দ, চিত্ৰ আৰু সঙ্গীতৰ মধুৰ সমন্বয় সাধিত হৈছে। দীনেশ গোস্বামীৰ কবিতাত প্ৰায়েই আধুনিক জীৱনৰ অন্ধকাৰ আৰু অসামাজিক দিশটোৱে প্ৰাধান্য লাভ কৰিছে। হৰেকৃষ্ণ ডেকাই প্ৰতীকবাদী-চিত্ৰকল্পবাদী কাব্যধাৰাৰ আশ্ৰয়ত নিজস্ব কাব্যকথনৰ প্ৰয়াস কৰিছে, য'ত ৰহস্য আৰু বিষাদে হাতত ধৰাধৰিকৈ থিয় দিছে। ৰবীন্দ্ৰ সৰকাৰৰ কবিতাত বাস্তৱবোধ আৰু সৰ্বসাধাৰণ নৰনাৰীৰ প্ৰতি বস্তুনিষ্ঠ ৰাজনৈতিক সচেতনতাৰ পৰিচয় পোৱা যায়। ৰবীন্দ্ৰ বৰাই প্ৰতীক আৰু চিত্ৰকল্পৰ মাধ্যমেৰে বাস্তৱ জীৱনৰ চিত্ৰ অঙ্কন কৰিছে। ৰঙাজিয়াঁৰ কবি মহিম বৰাৰ কবিতাত অন্তৰ্জীৱনৰ বিবিধ ভাব-অনুভূতিয়ে প্ৰাধান্য লাভ কৰিছে। প্ৰতীকৰ সাৰ্থক প্ৰয়োগ তেওঁৰ কবিতাত লক্ষ্য কৰা যায়। তেওঁৰ কবিতাত মধ্যবিত্ত জীৱনৰ সুখ-দুখৰ, আনন্দ-বেদনাৰ এখনি প্ৰতিচ্ছবি অঙ্কিত হৈছে।

নলিনীধৰ ভট্টাচাৰ্যৰ কবিতাত সমাজ সচেতনতাৰ আভাস পোৱা যায়। দুই-এটি কবিতাত ব্যঙ্গৰ আশ্ৰয় লৈ সমাজৰ বাস্তৱ চিত্ৰ অঙ্কন কৰা হৈছে। তেওঁৰ কবিতাত সামূহিক মানৱ-কল্যাণৰ ভাবনা প্ৰকাশিত হৈছে। কেনো এটা বিশেষ ধাৰাৰ প্ৰভাৱেৰে প্ৰভাৱিত নোহোৱাকৈ নলিনীধৰ ভট্টাচাৰ্যই সুদীৰ্ঘ দিন ধৰি কাব্যচৰ্চা কৰি আহিছে।

হীৰেন গোহাঁইৰ কবিতাত সামাজিক দায়বদ্ধতাৰ পৰিচয় পোৱা যায়। মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা প্ৰভাৱিত কবিগৰাকীয়ে সমাজ ব্যৱস্থাৰ পৰিবৰ্তন কামনা কৰে। ৰোমাণ্টিক প্ৰতীকবাদী কবি ঈশান দত্তই ভালেসংখ্যক কবিতা ৰচনা কৰি অসমীয়া কবিতাক সমৃদ্ধ কৰিছে। চিত্ৰকল্পবাদী কাব্য-পৰম্পৰাৰ আন এগৰাকী প্ৰতিষ্ঠিত কবি ৰবীন্দ্ৰ বৰাৰ কবিতাত অনাড়ম্বৰ প্ৰকাশভংগী আৰু অকৃত্ৰিম সৰলতা বিদ্যমান। স্বাভাৱিকতা আৰু সৰলতা

তেওঁৰ কবিতাৰ মনকৰিবলগীয়া বৈশিষ্ট্য।

আধুনিক অসমীয়া কবিতালৈ বিশিষ্ট বৰঙণি যোগাওঁতা কবিসকলৰ ভিতৰত আন এগৰাকী শব্দশিল্পী হ'ল চিৰঞ্জীৱ জৈন। প্ৰতীক আৰু চিত্ৰকল্পৰ কৌশলী প্ৰয়োগ তেওঁৰ কবিতাত লক্ষ্য কৰা যায়। আত্মিক বিষাদ আৰু নিঃসঙ্গ-চেতনা তেওঁৰ কবিতাৰ মনকৰিবলগীয়া বৈশিষ্ট্য।

মোহনকৃষ্ণ মিশ্ৰ জাপানী কবিতাৰ আৰ্হিত সৰু সৰু স্তৱকেৰে কাব্যসৃষ্টি কৰি অসমীয়া কবিতাক শব্দৰ সুবিন্যস্ত বিন্যাসেৰে পাঠকৰ মাজত সমাদৰ লাভ কৰিছে। যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে অতি কম সংখ্যক কবিতা ৰচনা কৰিয়েই বিশেষ খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। সমাজ পৰিৱৰ্তন বিশ্বাসী কবিগৰাকীয়ে সমাজত এক বিপ্লৱৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে।

আনিছ্-উজ-জামানৰ কবিতাত মানৱীয় সুখ-দুখ আশা-আকাঙ্খা, প্ৰেম-বেদনা প্ৰভৃতি মানৱীয় প্ৰবৃত্তিসমূহে প্ৰাধান্য লাভ কৰিছে। ৰোমাণ্টিক ভাবঘন কল্পচিত্ৰই তেওঁৰ কবিতাৰ অন্তৰ্নিহিত শক্তি বৃদ্ধি কৰিছে।

জ্ঞান পূজাৰীৰ কবিতাত জনসাধাৰণৰ বুকুৰ স্পন্দনধ্বনি শুনিবলৈ পোৱা যায়। কবিয়ে জনসাধাৰণৰ মনত প্ৰভাৱ বিস্তাৰ কৰা গভীৰ নৈৰাশ্যৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছে আৰু শ্ৰমজীৱি কৃষক-মজদুৰসকলক প্ৰত্যক্ষ সংগ্ৰামত ব্ৰতী হ'বলৈ আহ্বান জনাইছে।

মাৰ্ক্সবাদী ভাবধাৰাৰে অনুপ্ৰাণিত আন এগৰাকী কবি হ'ল সুভাষ সাহা। সংখ্যাত তাকৰ হ'লেও মাণিক গগৈৰ কবিতাত ভাবৰ বৈচিত্ৰ আৰু চিন্তাৰ সূক্ষ্মতা পৰিলক্ষিত হয়। জীৱন আৰু জগত সম্পৰ্কীয় চিন্তাৰ গভীৰতাই তেওঁৰ কবিতাক সমাজ মুখ্য ৰূপ প্ৰদান কৰিছে। সেয়ে আধুনিক মানুহৰ জীৱন সংগ্ৰাম, হতাশা আৰু ক্ষোভ তেওঁৰ প্ৰায়বোৰ কবিতাত স্পষ্ট হৈ পৰিছে।

অমলেন্দু গুহৰ কবিতাত শ্ৰমজীৱী কৃষক-মজদুৰ প্ৰভৃতিৰ সংগ্ৰামৰ সৈতে একাত্মবোধৰ পৰিচয় পোৱা যায়। তেওঁৰ একমাত্ৰ কবিতাৰ পুথি 'তোমালৈ' (১৯৬০)। কবিয়ে শ্ৰমজীৱি কৃষক-বনুৱাৰ আশা-নিৰাশাৰ ছবি অঙ্কন কৰিছে 'লুইতৰ পাৰৰ গীত' শীৰ্ষক কবিতাত। তেওঁ কবিতাৰ মাধ্যমেদি জনতাৰ জয়গান গাইছে; এই জনতা হৈছে মেহনতী জনতা।

আন এগৰাকী প্ৰগতিবাদী কবি হেমাঙ্গ বিশ্বাসৰ 'কুলখুৰাৰ চোতাল' (১৯৭০)ত বিপ্লৱী সমাজবোধৰ পৰিচয় পোৱা যায়। তেওঁৰ কবিতাত সাম্যবাদী ভাব-চিন্তাৰ সাৰ্থক

প্ৰতিফলন ঘটিছে। সৰ্বহাৰা শ্ৰেণীৰ জনসাধাৰণৰ জীৱন-সংগ্ৰাম, নিৰ্যাতন আৰু দুখ-যন্ত্ৰণাই তেওঁৰ কবিতাত প্ৰকাশ লাভ কৰিছে।

নিত্যা দত্তৰ কবিতাৰ মূল সুৰ হ'ল আপোন মনৰ একান্ত স্বপ্নৰ অন্তৰঙ্গ প্ৰকাশ। তেওঁৰ কবিতাত হৃদয়ানুভূতিৰ বিবিধ চেতনাৰ প্ৰতিফলন ঘটিছে। ভাব, ভাষা আৰু শব্দৰ কৌশলী প্ৰয়োগত মহেন্দ্ৰ বৰাৰ সৈতে তেওঁৰ সাদৃশ্য বিদ্যমান।

প্ৰতীকবাদী শৈলীৰে আধুনিক কবিতাক নিটোল ৰূপ প্ৰদান কৰোঁতে দিলীপ বৰুৱাই সাম্যবাদী ভাবধাৰা আগত ৰাখি কবিতা ৰচনাত মনোনিবেশ কৰিছিল। সৰ্বসাধাৰণ নৰ-নাৰীৰ নিষ্পেষিত জীৱনৰ প্ৰতি সমবেদনাৰ সুৰ ধ্বনিত হৈছে তেওঁৰ কবিতাত।

প্ৰতীকবাদী আৰু চিত্ৰকল্পবাদী কাব্যধাৰা অনুসৰণ কৰি নগেন ঠাকুৰে কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। এক ৰোমাণ্টিক বিষাদে তেওঁৰ কাব্যচিন্তাক আছন্ন কৰি ৰাখিছে। ব্যক্তিগত প্ৰণয় আৰু নিঃসঙ্গ-চেতনাই তেওঁৰ ভালেমান কবিতাত নিটোল ৰূপ লাভ কৰিছে। বিষণ্ণতাবোধ তেওঁৰ কবিতাৰ আন এটি মনকৰিবলগীয়া বৈশিষ্ট্য।

মাৰ্ক্সবাদী ভাবধাৰাৰে কাব্য ৰচনা কৰি সমাজ পৰিৱৰ্তনৰ পোষকতা কৰা আন এগৰাকী প্ৰগতিবাদী কবি হ'ল সদা শইকীয়া। তেওঁৰ কবিতাত জনতাৰ অপৰিসীম শক্তিৰ ওপৰত অটল বিশ্বাসৰ পৰিচয় পোৱা যায়।

চিত্ৰকল্পক প্ৰাধান্য দি কবিতা ৰচনাত মনোনিবেশ কৰা কবিসকলৰ ভিতৰত সুশীল শৰ্মা অন্যতম। তেওঁৰ কবিতাত শব্দচয়নৰ দক্ষতা আৰু কল্পনাৰ বিস্তাৰ সততে লক্ষ্য কৰা যায়।